অসম আদিত্য

### ছাত্ৰী নিৱাসৰ ষষ্ঠ যাণ্মাসিকৰ ছাত্ৰীসকলৰ বিদায় সভাত এএমচিৰ অধীক্ষক ডাঃ প্ৰশান্ত দিহিঙীয়া

# কানৈ মহাবিদ্যালয়ক লৈ মই সদায়ে গৌৰৱ কৰোঁ

ডিব্ৰুগড়, ২৪ এপ্ৰিল ঃ 'কানৈ মহাবিদ্যালয়ক লৈ মই গৌৰৱ কৰোঁ। কানৈ মহাবিদ্যালয়ে অসমৰ মহাবিদ্যালয়সমূহক বহু ব্যতিক্ৰমী কাম-কাজেৰে নেতৃত্ব দিবলৈ সক্ষম হৈছে।'— অসম চিকিৎসা মহাবিদ্যালয়ৰ অধীক্ষক ডাঃ প্ৰশান্ত দিহিঙীয়াই ২২ এপ্ৰিলত অনুষ্ঠিত কানৈ মহাবিদ্যালয়ৰ ছাত্ৰী নিৱাসৰ ষষ্ঠ যান্মাসিকৰ ছাত্ৰীসকলৰ বিদায় সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি এইদৰে কয়। ছাত্ৰী নিৱাসৰ ছাত্ৰীসকলে চাকি-বন্তিৰে বিশিষ্ট চিকিৎসকগৰাকীক আদৰণি জনাই অনা অনুষ্ঠানটিত তেওঁ কয়— কানৈ মহাবিদ্যালয় আজি সমগ্ৰ বিশ্বত পৰিচিত এটি নাম। এই যশস্যা আৰু গৌৰৱৰ তেওঁ সমভাগী বুলি উল্লেখ কৰি কয়— ছাত্ৰ-ছাত্ৰীসকলে এই মহাবিদ্যালয়খনৰ আদৰ্শ সমাজত বিয়পাই দিয়া উচিত। ছাত্ৰীসকলক আজীৱন মহাবিদ্যালয়খনৰ উত্তৰণৰ হকে কাম কৰি যাবলৈ পৰামৰ্শ দিয়ে। কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই ছাত্ৰীসকলক কয়— প্ৰকৃততে কোনেও কাকো বিদায় দিব নোৱাৰে। সকলো ছাত্ৰীকে এক নতুন জীৱনৰ বাবে শুভেচ্ছা জ্ঞাপন কৰি তেওঁলোকৰ উত্তৰোত্তৰ কামনা কৰে। সভাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ গ্ৰন্থাগাৰ বিভাগৰ সহযোগী অধ্যাপক বদন বৰ্মনে বিদায়ী ছাত্ৰীসকলক মহাবিদ্যালয়খনৰ স'তে সম্পৰ্ক আজীৱন ৰাখিবলৈ পৰামৰ্শ দি কয়— মহাবিদ্যালয়খনক তেওঁলোকে কেতিয়াও পাহৰি যোৱা উচিত নহয়। অনুষ্ঠানত সোণাপুৰ মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক অৰ্চনা শৰ্মা, হাজো ডমডমা মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক ববিতা কলিতা, বি চি এম মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক জয়া মেধি, দীনদয়াল উপাধ্যায় আমচাং মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক অংকিতা হালৈ, কানৈ মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড০ প্ৰিয়দেৱ গোস্বামী, অধ্যাপক ড০ জ্যোতিপ্ৰসাদ ফুকন, অধ্যাপক আদিত্য দাহাল, অধ্যাপিকা ড০ নিৰ্মালী পেগু, অধ্যাপক ড০ দীপংকজ গগৈ, ছাত্ৰী নিৱাসৰ অধীক্ষিকা উৰ্মিলা ৰামছিয়াৰী, ছাত্ৰাৱাসৰ অধীক্ষক ড০ বিৰাজ দত্তক একোখনকৈ ফুলাম গামোচাৰে ছাত্ৰীসকলে আদৰণি জনোৱা অনুষ্ঠানটিত ছাত্ৰীসকলে গীত-মাত-নৃত্যৰে মননশীল কৰি তোলে। অনুষ্ঠানটিত ছাত্ৰী নিৱাসৰ বিদায়ী ছাত্ৰীসকলক একোখনকৈ মান-পত্ৰ প্ৰদান কৰা হয়।

# অসম আদিত্য

Rs. 7 ■ ডিব্ৰুগড় আৰু গু




াবীৰ গছ-গছনি

## পঞ্চায়তখন আহ্বান

প্ৰতিবেদক, ডিব্ৰুগড়, ২৪ এপ্ৰিল ঃ ডিব্ৰুগড় দক্ষিণ আমোলাপট্টিৰ মোহনাঘাটপ্ৰগতি সংঘৰ উদ্যোগত ১৩ আৰু ১৪মে'ত দুদিনীয়া কাৰ্যসূচীৰে একবিংশতিতম ৰঙালী বিহু সন্মিলন আয়োজন কৰা হৈছে। কাৰ্যসূচী অনুসৰি অহা ১৪ মে'ৰ পুৱা ৯বজাত বিহুপতাকা উত্তোলন কৰিব উদ্‌যাপন সমিতিৰ সভানেত্ৰী যোগমায়া চাংকাকতিয়ে। ৯.৩০বজাত শ্বহীদ তৰ্পণ কৰিব ৱাৰ্ড সদস্যা বিনুমা দাসে, ১০ বজাত বিহুৰ মঞ্চ উদ্বোধন কৰিব বিশিষ্ট সমাজসেৱিকা জ্যোৎস্না সোনোৱালে। আনহাতে, ১১বজাত আকস্মিকবক্তৃতা, ১২ বজাত স্মৃতিশক্তি পৰীক্ষা প্ৰতিযোগিতাৰ উপৰি ক্ৰমে 'ক' আৰু 'খ' শাখাৰ মাজত বিহুনাম প্ৰতিযোগিতা, বিহুনাচ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব আৰু সন্ধিয়া ৭ বজাত সাংস্কৃতিক সন্ধিয়া অনুষ্ঠিত হ'ব। ১৪ মে'ৰ পুৱা ১১ বজাত জেংবিহু, ১ বজাত মৌ-কুঁৱৰী, ৩ বজাত বিহুৱতী প্ৰতিযোগিতা, ৬ বজাত মুকলি সভা আৰু বঁটা বিতৰণী অনুষ্ঠান, সন্ধিয়া ৮ বজাত সাংস্কৃতিক সন্ধিয়া আয়োজন কৰা হৈছে। বিহু উদ্‌যাপন সমিতিৰ সভানেত্ৰী যোগমায়া চাংকাকতি, কাৰ্যকৰী সভাপতি মৃদুল হাজৰিকা, জেইজী গগৈ ভূএগ আৰু সাধাৰণ সম্পাদক হৃদয়জ্যোতি হাজৰিকাই মোহনাঘাট প্ৰগতি সংঘৰ উদ্যোগত আয়োজিত একবিংশতিতম ৰঙালী বিহু সন্মিলনখনৰ বৰ্ণাঢ্য কাৰ্যসূচীৰবাবে সকলো ৰাইজক নিমন্ত্ৰণী শৰাই আগবঢ়াইছেবুলি জানিবলৈ দিছে।

## াতত যান-বাহন ক্ষীৰ অভিযান

াখাত, ২৪ এপ্ৰিল ঃ টেঙাখাত আৰক্ষী প্ৰশাসনৰ আইন উলংঘা নকৰিবৰ দুচকীয়া আৰু চাৰিচকীয়া লকসকলক সতৰ্ক কৰি দিয়াৰ পিছতো এচাম চালকে হাত ছিটবেল্ট আৰু দুচকীয়া বাহনৰ চালকে হেলমেট লোৱা পৰিলক্ষিত হৈছে। আজি টেঙাখাত টেঙাখাত আৰক্ষী থানাৰ উপ-পৰিদৰ্শক যুগল এটা পুলিচ বাহিনীয়ে এনে চালকৰ বিৰুদ্ধে অভিযান যথেষ্ট পৰিমাণৰ জৰিমনা আদায় কৰিবলৈ সক্ষম হয়।



## ডিব্ৰুগড় গ্ৰন্থাগাৰ সংস্থাৰ বিশ্ব গ্ৰন্থ দিৱস উদ্‌যাপন

ডিব্ৰুগড়, ২৪ এপ্ৰিল ঃ ডিব্ৰুগড় গ্ৰন্থাগাৰ সংস্থা আৰু তৰুণ সংঘ পুথিভঁৰালৰ যৌথ উদ্যোগত ২৩ এপ্ৰিলত বিশ্ব গ্ৰন্থ দিৱসৰ লগত সংগতি ৰাখি চহৰীকটা তৰুণ সংঘ পুথিভঁৰাল প্ৰেক্ষাগৃহত বিশ্ব গ্ৰন্থ দিৱস উদ্‌যাপন কৰা হয়। অনুষ্ঠানত 'খিলঞ্জীয়া ভাষা' শীৰ্ষক বিষয়ত মূল বক্তৃতা প্ৰদান কৰি ডিব্ৰুগড় গ্ৰন্থাগাৰ সংস্থাৰ সভাপতি তথা ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ কৰ্মসূৰ্য ড০ শশীকান্ত শইকীয়াই কয়— খিলঞ্জীয়া ভাষাৰ চৰ্চা আৰু ব্যৱহাৰৰ দ্বাৰা জাতীয় কলা-সংস্কৃতি সংৰক্ষণ আৰু সংবৰ্ধন হ'ব। সভাত সংস্থাৰ সম্পাদক যাদৱজ্যোতি শইকীয়াই বিশ্ব গ্ৰন্থ দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰে। তৰুণ সংঘ পুথিভঁৰালৰ গ্ৰন্থাগাৰিক ভোগেশ্বৰ সোণোৱালে আঁত ধৰা অনুষ্ঠানত ডিব্ৰুগড় গ্ৰন্থাগাৰ সংস্থাৰ মূল সমিতিৰ সদস্যা নিৰদা দত্ত, ৰাজু ৰাণী শইকীয়া, ড০ পল্লৱী গগৈ, দীপিকা দাস, পল্লৱ দিহিঙীয়া, ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ অধ্যাপক ড০ জ্যোতিপ্ৰসাদ ফুকন, বিশিষ্ট সমাজকৰ্মী পৰাগ দত্ত, প্ৰনামী ফুকন দত্তকে ধৰি পুথিভঁৰাল পৰিচালনা সমিতিৰ সমূহ সদস্য প্ৰমুখ্যে বহুসংখ্যক গণ্য-মান্য ব্যক্তি আৰু ভালেসংখ্যক ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতীয়, অভিভাৱক উপস্থিত থাকে। সভাত অতিথিসকলে ছাত্ৰ-ছাত্ৰীসকলক গ্ৰন্থ অধ্যয়নৰ উপকাৰিতা আৰু প্ৰয়োজনীয়তাৰ বিষয়ে অৱগত কৰে। অনুষ্ঠানটিৰ লগত সংগতি ৰাখি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত কবিতা আবৃত্তি, সাধুকোৱা আৰু বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ লগতে বিজয়ীসকলক মান-পত্ৰ প্ৰদান কৰা হয়। অনুষ্ঠানত স্থানীয় যুৱতীসকলৰ দ্বাৰা পৰিৱেশন কৰা লেচেৰি বিহুৱে উপস্থিত সকলোকে আপ্লুত কৰে। শেষত শলাগ জ্ঞাপন কৰে তৰুণ সংঘ পুথি ভঁৰালৰ গ্ৰন্থাগাৰিক ভোগেশ্বৰ সোনোৱালে।

ৰ ঃ শেষ ভৰসা

## ভূষণৰ যৌ তাৰকা

ক্ৰীড়া মঞ্চত দেখুৱাবলগা ত। ৰাষ্ট্ৰীয়, আন্তঃৰাষ্ট্ৰীয় য়ে পদক আঁজুৰি দেশলৈ ৰৈয়ে এতিয়া নিজ দেশতে

## ত্ৰীৰ ঃ সংগ

## ত শ্বা

